# ৰেঙণি

ফাউণ্ডাৰ্চ ষাণ্মাসিক সংখ্যা

অসমীয়া বিভাগৰ দ্বাৰা প্ৰকাশিত আলোচনী

পঞ্চম সংস্কৰণ

## স্বাধীনতাৰ অমৃত মহোৎসৱৰ বিশেষ সংখ্যা

দ্য অসম ভেলী স্কুল
বালিপাৰা, শোণিতপুৰ - ৭৮৪১০১
অসম

# স্বাধীনতাৰ অমৃত মহোৎসৱ

## প্ৰণাম দেশপ্ৰেমিক বীৰ যোদ্ধাসকল

অচিত ফুকন
সপ্তম শ্ৰেণী

আমি দেশৰ বাবে জীৱন দিবলৈ কেতিয়াও ভয় খাব নালাগে। যিমান বিপদত পৰিলেও আমি দেশৰ বাবে সেই বিপদক নেওচা দি আগবাঢ়ি যাব লাগে। কেতিয়াও পিছ হুহকিব নালাগে। আমি যদি প্ৰকৃত দেশপ্ৰেমিক হওঁ তেনেহলে আমাৰ মুখৰ আগত যি বিপদ আহিলেও তাক মষিমূৰ কৰি নিশ্চিন্ত মনে আগুৱাই যাব লাগে। আমাৰ দেশৰ বীৰ যোদ্ধাসকলে আমাৰ বাবে দেশৰ বাবে যুদ্ধত প্ৰাণ আহুতি দিয়ে। তেওঁলোকে যুদ্ধলৈ যোৱাৰ সময়ত এইখিনিও ভাবি নাচায় যে যুদ্ধৰ পৰা তেওঁলোক ঘূৰি আহিবনে নাহে। তেওঁলোকৰ ঘৰত তেওঁলোকৰ মাক-দেউতাক, লৰা-ছোৱালী আৰু পত্নীয়ে তেওঁলোক ঘৰলৈ ঘূৰি অহাৰ বাবে অধীৰ আগ্ৰহেৰে বাট চাই থাকে । কিন্তু পৰিয়ালৰ আটাইবোৰ মানুহেই মনত এটা ভয় বা শংকাৰ মাজত থাকিবলগীয়া হয়। দিন-ৰাতি তেওঁলোকৰ চিন্তাৰ মাজেৰে পাৰ হয়। যুদ্ধত জয়ী হৈ যেতিয়া ঘৰলৈ ঘূৰি আহে তেতিয়া দেশৰ-দহৰ লগতে পৰিয়ালৰ মাজতো আনন্দ উল্লাসেৰে নধৰা হয়। কিন্তু যুদ্ধত প্ৰাণ আহুতি

দিবলগীয়া হলে দুখে কুলাই-পাচিয়ে নধৰা হয়। সেইসকল বীৰ যোদ্ধা তথা শ্বহীদলৈ আমাৰ শতকৌটি প্ৰণাম।


আমাৰ দেশত দেশদ্ৰোহী কিছুমানো আছে। সেইসকল আমাৰ দেশৰ কলংক। সেইসকলে কেবল নিজৰ কথা চিন্তা কৰে। নিজৰ বাহিৰে তেওঁলোকে কাকো চিনি নাপায়। এনে স্বাৰ্থপৰ দেশদ্ৰোহীজনক কোনেও ভাল নাপায়, কোনেও সন্মান নকৰে আৰু সকলোৱে ঘৃণাৰ চকুৰে চায়। তেওঁলোকে দেশখন ধ্বংসৰ মুখলৈ ঠেলি দিয়ে। তাৰ বিপৰীতে এজন দেশপ্ৰেমিকে দেশ এখন গঢ় দিয়াত যথেষ্ট অৰিহণা যোগায়। তেওঁলোকে দেশৰ কাৰণে জীৱন আহুতি দিয়ে। সেইসকল বীৰ শ্বহীদলৈ আমি শতকৌটি প্ৰণিপাত জনাও।




# আমাৰ বাপু

মাধুৰ্য্য মাধৱ
অষ্টম শ্ৰেণী

ভাৰতৰ স্বাধীনতাৰ আগৰ কথা। সেই সময়ত বৃটিছে, ভাৰত শাসন কৰিছিল । বৃটিছে ভাৰতৰ মানুহবোৰক বৰ অত্যাচাৰ কৰিছিল। তেওঁলোকে সকলোৰে সা-সম্পত্তি বাজেয়াপ্ত কৰিছিল | বৃটিছৰ অত্যাচাৰত অতিষ্ঠ হৈ সেইসময়ত এজন ভাৰতীয়ই, বৃটিছৰ বিৰুদ্ধে থিয় দিছিল। সেই ব্যক্তিজনৰ ব্যৱহাৰ তথা পোচাক আছিল অতি সাধাৰণ। সেইসময়ত তেৱেঁই ভাৰতবৰ্ষত বৃটিছ অত্যাচাৰৰ বিৰুদ্ধে থিয় দিছিল আৰু তেওঁৱেই সমগ্ৰ ভাৰতবাসীক ইংৰাজৰ বিৰুদ্ধে থিয় কৰাইছিল। আঠুৰ ওপৰত পিন্ধা এখন চুৰীয়া আৰু এডাল লাখুটি লোৱা সেই অৰ্ধনগ্ন ব্যক্তিজনেই সকলো ভাৰতবাসীক একত্ৰিত কৰি বৃটিছৰ বিৰুদ্ধে সত্যাগ্ৰহ আন্দোলন আৰম্ভ কৰিছিল। এদিন তেখেতৰ প্ৰচেষ্টাতে ভাৰতবাসীয়ে বৃটিছক ভাৰতৰ পৰা খেদি পঠিয়াবলৈ সক্ষম হৈছিল। যি বৃটিছে ২০০ বছৰ ধৰি ভাৰতত ৰাজত্ব কৰিছিল সেই বৃটিছক এজন সাধাৰণ ভাৰতীয়ই বিনা অস্ত্ৰে তথা বিনা ৰক্তপাতে ভাৰতৰ ভূমিৰপৰা আতৰাই পঠাইছিল। সেই ব্যক্তিজনেই আছিল আমাৰ সকলোৰে বাপু ,জাতিৰ পিতা মহাত্মা গান্ধী।



বৃটিছে উনৈশ শতিকাত পৃথিৱীৰ বহু ঠাইত ৰাজত্ব কৰিছিল। আমি শুনিবলৈ পাইছিলো যে বৃটিছ সাম্ৰাজ্যৰ বেলি মাৰ যোৱা নাছিল। ভাৰতবৰ্ষও সেইসময়ত বৃটিছৰ অধীনত আছিল। বৃটিছে ভাৰতীয় মানুহৰ ওপৰত বৰ অত্যাচাৰ কৰিছিল। ভাৰতৰ সম্পদ বৃটিছে লুটি নি নিজৰ দেশখন সম্পদশালী কৰি তুলিছিল। এটা সময়ত বৃটিছে ভাৰতীয় মানুহৰ ওপৰত বৰ অত্যাচাৰ কৰি তেওঁলোকৰ জীৱন দুৰ্বিসহ কৰি তুলিছিল। সেইসময়ত এজন ভাৰতীয়ই ইংলেণ্ডৰ পৰা ওকালতি কৰি নিজৰ দেশলৈ  ঘূৰি আহিছিল। তেওঁৰ নাম আছিল মোহনদাস কৰমচাঁদ গান্ধী। এই উকিলজনে ইংলেণ্ডত থকা সময়তো বৃটিছৰ দ্বাৰা বহুবাৰ লাঞ্ছিত হৈছিল। ভাৰতলৈ আহি যেতিয়া গম পালে যে বৃটিছে ভাৰতীয় মানুহৰ ওপৰত অত্যাচাৰ কৰি আছে তেতিয়া ভাৰতীয়সকলক একত্ৰিত কৰি বৃটিছৰ বিৰুদ্ধে অসহযোগ আন্দোলন গঢ়ি তুলিলে। গান্ধীৰ আহ্বানত সমগ্ৰ ভাৰতীয় আন্দোলনত জপিয়াই পৰে । পৰ্য্যায়ক্ৰমে আন্দোলনৰ সক্ৰিয় ৰূপত বৃটিছে ভাৰতীয়সকলৰ আগত শিৰ নত কৰে আৰু ভাৰতীয়সকলক স্বাধীনতা দিবলৈ বাধ্য হয়। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে স্বাধীনতা লাভ কৰে। এইজন মোহনদাস কৰমচান্দ গান্ধীকে ৰবীন্দ্ৰনাথ ঠাকুৰে জাতিৰ পিতা নামেৰে শোভিত কৰে। এই গণ আন্দোলনত বহু স্বাধীনতা সংগ্ৰামীয়ে নিজৰ জীৱন জাতিৰ বাবে বলিদান দিয়ে। আজি আমি প্ৰত্যেকেই তেওঁলোকৰ ওচৰত আমাৰ স্বাধীন ভাৰতৰ বাবে কৃতজ্ঞ।





# স্বাধীন ভাৰতৰ কিছু কথা



বুদ্ৰাক্ষী ভৰদ্বাজ
পঞ্চম শ্ৰেণী

পৃথিৱীৰ সৰ্ববৃহত দেশসমূহৰ ভিতৰত এখন দেশ হৈছে ভাৰতবৰ্ষ। আমাৰ দেশখন ইংৰাজৰ শাসনলৈ যোৱাৰ আগতে ইয়াৰ মানুহবোৰ বৰ আনন্দমনে আছিল। এই সুন্দৰ দেশখনৰ কথা ইংৰাজসকলে শুনি তেওঁলোক ভাৰতলৈ ফুৰিবলৈ অহাৰ কথা ভাবিলে । ভবাৰ মতে কাম তেওঁলোকে আহি দেখে যে ভাৰতখন বৰ সুন্দৰ আৰু মনোৰম। তেওঁলোকে মনে মনে আমাৰ ভাৰতখন দখল কৰাৰ কথা ভাবে। তেওঁলোকে ভাৰতৰ মানুহবোৰৰ লগত প্ৰথমে বন্ধুত্বৰ মিছা অভিনয় কৰে। পিছত ভাৰতৰ ৰজা -মহাৰাজৰ লগত যুদ্ধ কৰি তেওঁলোকক হত্যা কৰিলে। ইংৰাজৰ লগত দেশৰ বাবে যুদ্ধ কৰি ৰাণী লক্ষ্মীবাই, টিপু চুলতান, শিৱাজী আদি সকলে নিজৰ জীৱন দান কৰিলে। এনেদৰে বহু ভাৰতীয়ই দেশৰ স্বাধীনতাৰ বাবে অশেষ চেষ্টা কৰিছিল। মহাত্মা গান্ধী, বাল গংগাধৰ তিলক, সৰোজিনী নাইডু আদি ব্যক্তিসকলে কৰা অহিংসা আন্দোলনত ইংৰাজসকল হাৰ মানি ভাৰত ত্যাগ কৰিবলৈ বাধ্য হয়। ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতবৰ্ষ স্বাধীন হয়। প্ৰতিবছৰে ১৫ আগষ্ট তাৰিখে আমি স্বাধীনতা দিৱস পালন কৰো। সেই দিনা আমি সকলোৱে প্ৰতিজন শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰো।








## গৌৰৱ

**ৰাজজ্যোতি তালুকদাৰ**
**নৱম শ্ৰেণী**

আমাৰ দেশখন আমাৰ সকলোৰে জন্মস্থান। এই দেশে আমাক দিছে ভৰপূৰ আনন্দ আৰু যৌৱনৰ প্ৰচুৰ প্ৰাচুৰ্য্য। আমাৰ দেশত বিভিন্ন জাতি আৰু ধৰ্মৰ লোকে বসবাস কৰিলেও এইসকলৰ মাজত কোনোধৰণৰ ভেদাভেদ দেখিবলৈ পোৱা নাযায়। ভাৰতীয় সংস্কৃতি অতি চহকী। ভাৰতৰ এই সংস্কৃতি আৰু বিভিন্ন ঐতিহাসিক কীৰ্তিচিহ্ন সমূহ দৰ্শন কৰিবলৈ পৃথিৱীৰ বিভিন্ন ঠাইৰপৰা বহু বিদেশী পৰ্য্যটক আহে। আমাৰ ভাৰতবৰ্ষতেই আছে ৰামায়ণ- মহাভাৰতৰ দৰে মহাকাব্য, বেদ পুৰাণৰ দৰে শাস্ত্ৰ। ভগত সিং, লক্ষ্মীবাইৰ কনকলতা, লাচিত বৰফুকনৰ দৰে বীৰ কেৱল ভাৰতবৰ্ষতেই দেখা যায়। এনে এখন দেশৰ সন্তান হবলৈ পায় মই গৌৰৱ অনুভৱ কৰো।







# দেশপ্ৰেম

অনুভৱ অয়ন কাকতি
সপ্তম শ্ৰেণী



ভাৰত আমাৰ বাবে
এখন মানচিত্ৰ নহয় ।
ভাৰত আমাৰ মাতৃভূমি
বিভিন্ন জাতি উপজাতিৰ সমন্বয়থলী।
পাহাৰ,ভৈয়াম, সাগৰ,নদীৰে ভৰা
আমাৰ ভাৰতভূমি
নানা ধৰণৰ উৎসৱ পাৰ্বনেৰে
জাতিষ্কাৰ হৈ উঠে উঠলি।
আমাৰ এই মাতৃভূমি
আমাৰ জন্মভূমি
নানা ভাষা-ভাষী ঐক্য সংহতিৰ প্ৰতীক
আমাৰ এই পুণ্যভূমি।



# মোৰ দেশ

ডেনিজা চাংমাই
অষ্টম শ্ৰেণী

মোৰ দেশ মোৰ সকলোতকৈ প্ৰিয়
এই দেশৰ প্ৰকৃতিয়ে মোক কৰে আকৃষ্ট
মোৰ দেশত পোৱা গছ-বন-লতাবোৰ ইমান ধুনীয়া
তাকে দেখি পমি যায় মোৰ হিয়া
এই দেশৰ কাৰণে মই দিব পাৰো সকলো বলিদান
ইয়াৰ বাবে নিবিচাৰো কোনো প্ৰতিদান
এই দেশৰ বাবে বহুতে দিছে নিজৰ জীৱন ত্যাগ
যাতে আমাৰ দেশত নালাগে কোনো দাগ







# কথাৰ পাকতেই

## আঁঠুৱা চাই ঠেং মেলা

মহ নিবাৰণৰ কাৰণে আঁঠুৱা ব্যৱহাৰ কৰা হয়। আঁঠুৱা যিমান দীঘল সেই মতে ঠেং মেলি আঁঠুৱাৰ তলত শুব লাগে। চুটি আঁঠুৱাত দীঘলকৈ ঠেং মেলি দিলে, আঁঠুৱা দাং খাই থাকি মহ সোমাই কামুৰিব, তেতিয়া আঁঠুৱা তৰাৰ কোনো অৰ্থই নাথাকিব; । গতিকে আঁঠুৱাৰ জোখ অনুযায়ীহে ঠেং মেলা উচিত। ইয়াৰ দ্বাৰা বুজাইছে যে আয় চাইহে ব্যয় কৰিব লাগে আৰু নিজৰ সামৰ্থ্য চাইহে কাম কৰিব লাগে। আয়তকৈ ব্যয় বেছি হ'লে আৰু সামৰ্থ্যতকৈ বেছি কৰিব খুজিলে আমাৰ শক্তি ভাঙি গৈ বিপদ হব পাৰে।

## নাও বুৰিলেও টিঙৰপৰা ননমা

নাৱৰ গুৰিয়ালজনৰ যিদৰে দায়িত্ব বেছি, সেইদৰে সম্মানো বেছি, ইবাবে তেওঁৰ অহংকাৰো বেছি। নাৱৰ ওখ টিঙত বহি তেওঁ মাত্ৰ গুৰি ধৰে; বাকী নাৱৰীয়াসকলে তেওঁৰ আদেশত নাও বায়। কেতিয়াবা কোনো দুৰ্ঘটনাত যদি নাও বুৰিবও লগা হয়, তথাপি টিঙৰপৰা নামিবলৈ ইচ্ছা নকৰে; জানোচা তেওঁৰ সন্মান হানি হয়। সেইদৰে সংসাৰত এক শ্ৰেণীৰ মানুহ আছে, তেওঁলোকে সদায় আনতকৈ এখোপ ওপৰত থাকিবলৈ বিচাৰে; তেনে মানুহে হাজাৰ বিপদত পৰিলেও অহংকাৰৰ কাৰণে তললৈ নানামে। ইয়াৰ দ্বাৰা ইয়াকে বুজাবলৈ বিচৰা হৈছে।

## হৰিণাৰ মাংসই বৈৰী

হৰিণাৰ মাংসৰ প্ৰতি মানুহৰ লোভ থকাটো স্বাভাৱিক। কাৰণ ই সোৱাদআৰু সহজে হজম হয় । আনহাতে হৰিণ অতি নিৰীহ প্ৰাণী আৰু দেখাতো বৰ শুৱনি। তথাপি তাৰ মঙহৰ কাৰণেই তাৰ সৌন্দৰ্য আৰু নিৰীহতালৈ লক্ষ্য নকৰি বধ কৰে। অৰ্থাৎ মাংসই তাৰ শত্ৰু হ'ল। সেহদৰে বহুতৰ অজস্ৰ সম্পদ থকাৰ বাবেই তাৰ লোভতেই মানুহৰ শত্ৰু বাঢ়ে, তেওঁৰ বাবে সম্পদেই শত্ৰু; আন কাৰোবাৰ বাবে সৌন্দৰ্যই শত্ৰু ।

# বিজ্ঞজনে কি কয়

১) হিংসা এনে পাপ যি পাপৰ প্ৰায়চিত্ত নাই।

- হজৰত মহম্মদ

২) যাৰ ধৈৰ্য্য আছে তেওঁ বিচৰা বস্তু সকলো পাব পাৰে।

- ফ্ৰেংকলিন

৩) আমাৰ চিন্তা ভাৱনাৰ পৰাই চৰিত্ৰ গঠন হয়।

- আনন্দ চন্দ্ৰ আগৰৱালা

৪) বিশ্বাসৰ ফল প্ৰেম, প্ৰেমৰ ফল সেৱা, সেৱাৰ ফল শান্তি।

- মাদাৰ টেৰেছা


মুখ্য সম্পাদক -আত্ৰেয়ী নেওঁগ

উপ সম্পাদক - নিশান্ত বৰা, কৃতাৰ্থ কৌশিক

সহকাৰী সম্পাদক - সৌৰভ মান্টা, অৰ্চিৎ ফুকন

অলংকৰণ - আত্ৰেয়ী নেওঁগ, শুভেচ্ছা বৰা, নিশান্ত বৰা

সমন্বয়ক - অয়ন শইকীয়া, নিহাৰিকা গোস্বামী, অনিন্দৰাজ কোঁৱৰ বৰা

তত্বাৱধায়িকা - ডঃ পৰিণীতা গোস্বামী, প্ৰাৰ্থনা বৰা ফুকন

প্ৰকাশক - অসমীয়া বিভাগ, দ্য অসম ভেলী স্কুল, বালিপাৰা - ৭৮৪১০১, শোণিতপুৰ - অসম

কাৰিকৰী উপদেষ্টা - ৰূপজ্যোতি দাস, প্ৰশাসক, তথ্য আৰু প্ৰযুক্তিবিদ্যা

পৃষ্ঠপোষক - ডঃ বিধুকেশ বিমল, প্ৰধান শিক্ষক, দ্য অসম ভেলী স্কুল